**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ৩৭টা সম্প্ৰদায়ক অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্যাদা প্ৰদানৰ বাবে অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। জুবিন ক্ষেত্ৰৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগক ১০ বিঘা ভূমিৰ আৱণ্টন।

৩। তীব্ৰ ইন্ধন সংকটৰ সন্মুখীন হোৱা বাংলাদেশলৈ নুমলীগড় শোধনাগাৰৰ পৰা ৫ হাজাৰ টন ডিজেল প্ৰেৰণ।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কাৰ্বি আংলং আৰু যোৰহাটত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী। **আৰু**

৫। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত আজি খানাপাৰাত ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধন প্ৰদান।

oooooo

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ৩৭টা সম্প্ৰদায়ক অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই জুবিন ক্ষেত্ৰৰ ১০ বিঘা ভূমি শিল্পীগৰাকীৰ সমাধি ক্ষেত্ৰ নিৰ্মাণৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগক আৱণ্টন দিছে। মিছিং উৎসৱ আলি-আয়ে-লৃগাঙৰ দিনটো ৰাজ্যিক বন্ধ হিচাপে ঘোষণা কৰাটো মন্ত্ৰীসভাই অনুমোদন জনাইছে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেলত প্ৰকাশ কৰা মতে মিছন বসুন্ধৰাৰ অধীনত বসুন্ধৰা প'ৰ্টেল, সেৱা সেতু প'ৰ্টেল আৰু মিছন বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ৰ পৰ্যালোচনাৰ আবেদনসমূহ অন্তৰ্ভুক্ত কৰি ৰাজ্যৰ ছখন জিলাৰ এহেজাৰ ৪০টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক বাসস্থানৰ উদ্দেশ্যে চৰকাৰী খাছ আৰু চিলিং ছাৰপ্লাজ ভূমি নিষ্পত্তিত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। একেদৰে ৰাজ্যৰ ৭ খন বিশ্ববিদ্যালয় ক্ৰমে কোকৰাঝাৰ বিশ্ববিদ্যালয়, নগাঁও বিশ্ববিদ্যালয়, গুৰুচৰণ বিশ্ববিদ্যালয়, উত্তৰ-লখিমপুৰ বিশ্ববিদ্যালয়, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, শিৱসাগৰ বিশ্ববিদ্যালয় আৰু বঙাইগাঁও বিশ্ববিদ্যালয়ৰ সংবিধি, অধ্যাদেশ আৰু নিয়ন্ত্ৰণ বিধিত মন্ত্ৰীসভাই অনুমোদন জনায়। গুৱাহাটীৰ বিভিন্ন পাহাৰত বাস কৰা আৰু তিনি প্ৰজন্মৰ তথ্য দাখিল কৰা ৮১৬ জন আবেদনকাৰীক ভূমিপট্টা প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন দিছে। গোৱালপাৰাত ১১২ বিঘা মাটি সামৰি এখন ঔদ্যোগিক পাম্প স্থাপন কৰাৰ বাবেও কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজৰ নাম বৰপেটা মেডিকেল কলেজ হিচাপে নামকৰণ কৰাৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত লয়। আনহাতে বিশ্বনাথ জিলাৰ বিহালীত নতুনকৈ নিৰ্মাণ কৰা আভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ নাম ছবিলাল উপাধ্যায় আভিযান্ত্ৰিক মহাবিদ্যালয়, বিহালী, বিশ্বনাথ হিচাপে নামকৰণ কৰাত মন্ত্ৰীসভাই অনুমোদন জনাইছে। অসম মন্ত্ৰীসভাই আছাম গেছ কোম্পানী লিমিটেডৰ দুটা বিনিয়োগমূলক প্ৰকল্পত অনুমোদন জনোৱাৰ লগতে অনুসূচিত জাতি উন্নয়ন পৰিষদ সম্পৰ্কীয় প্ৰস্তাৱতো অনুমোদন জনাইছে। তদুপৰি দক্ষিণ গুৱাহাটী পানী যোগান প্ৰকল্পৰ বাবে এহেজাৰ ৩৬৭ কোটি টকাত মন্ত্ৰীসভাই অনুমোদন জনায়। ইয়াৰ ফলত গুৱাহাটীৰ অৱশিষ্ট অঞ্চলৰ লোকে খোৱাপানীৰ সুবিধা লাভ

কৰিব। কেবিনেটৰ সিদ্ধান্ত অনুসৰি পি এম স্বনিধি আঁচনিৰ অধীনত গাঁও পঞ্চায়ত অঞ্চলত থকা পদপথৰ ব্যৱসায়ীসকলেও ঋণ লোৱাৰ সুবিধা লাভ কৰিব পাৰিব।

০০০০০০

তীব্ৰ ইন্ধন সংকটৰ সন্মুখীন হোৱা বাংলাদেশলৈ নুমলীগড় শোধনাগাৰৰ পৰা কালি ৫ হাজাৰ টন ডিজেল প্ৰেৰণ কৰা হয়। বাংলাদেশৰ নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰী তাৰিক ৰহমানৰ অনুৰোধত এই ইন্ধন যোগান ধৰা হৈছে। উল্লেখযোগ্য ইৰানৰ লগত আমেৰিকা-ইজৰাইলৰ যুদ্ধক কেন্দ্ৰ কৰি ভাৰতত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনিৰ দৰেই চুবুৰীয়া দেশ বাংলাদেশত পেট্ৰ'ল-ডিজেলৰ ভয়ংকৰ নাটনিয়ে দেখা দিছে। দেশখনত ইন্ধনৰ জোৱা মৰাৰ বাবে দিনটোত চৰকাৰে দুচকীয়া বাহনক মাত্ৰ ২ লিটাৰ আৰু ব্যক্তিগত বাহনক ১০ লিটাৰ তেল বিক্ৰী কৰাৰ বাবে পেট্ৰ'ল পাম্পসমূহক নিয়ম বান্ধি দিছে। ইন্ধনৰ এনে নাটনিৰ বাবে দেশখনৰ চৰকাৰে এতিয়া ভাৰতৰ সহায় বিচাৰিছে। বাংলাদেশক কিছু সকাহ দিয়াৰ বাবেই কালি নুমলীগড় শোধনাগাৰৰ পৰা এই ডিজেল প্ৰেৰণ কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত দ্বিতীয় কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। দিনৰ ১০ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ধনৰাশি বিতৰণ কৰিব। ইয়াৰ জৰিয়তে ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতী উপকৃত হ'ব। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সৌজন্যত আয়োজিত এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী বিমল বৰাইও অংশ ল'ব। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে কাৰ্বি আংলঙলৈ যাব। কাৰ্বি আংলঙৰ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আন্তঃগাঁথনি উন্নয়নৰ দিশত নতুন দিশৰ সূচনা কৰি দুহেজাৰ ১০৯ কোটি টকা ব্যয়সাপেক্ষ শতাধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ৮১৬ কোটি টকা ব্যয়সাপেক্ষ ৫৪ টা প্ৰকল্প উদ্বোধন কৰিব। তেওঁ এহেজাৰ ২৯৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৫৩ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ দিনৰ ১ বজাত তাৰালাংছ'ৰ ৰংছিনা ছাৰপ' আহংজাইত আয়োজিত অনুষ্ঠানত এই প্ৰকল্পসমূহ মুকলি কৰিব। তেওঁ ডিফু কৰ্কট চিকিৎসা কেন্দ্ৰ, চাৰিলেনযুক্ত খৰছিং টেৰাং ইংজাৰকাপ উৰণসেঁতু আৰু চাৰিটা পথ উন্নীতকৰণ প্ৰকল্প মুকলি কৰিব। তদুপৰি পশ্চিম কাৰ্বি আংলঙত চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, ডিফুৰ টাউন লেক আৰু জলক্ৰীড়া ক্ষেত্ৰও মুখ্যমন্ত্ৰীয়ে মুকলি কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৩৬৫ কোটি টকা ব্যয়েৰে জিলাখনৰ লংৰকুত নিৰ্মাণ হ'বলগীয়া সৈনিক স্কুল, ৪২ মেগাৱাট শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্প, কেইবাটাও পথ উন্নীতকৰণ প্ৰকল্প, হোটেল আৰু পৰ্যটন ব্যৱস্থাপনা প্ৰতিষ্ঠান আৰু কেইবাখনো দলঙৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাং, অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, মন্ত্ৰী নন্দিতা গাৰ্লোছা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে বৰুৱা চাৰিআলিত বিয়লি ৫ বজাত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেতু উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আদি বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু ৰূপজ্যোতি কুৰ্মীয়েও অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ১৫৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা স্বৰাজ উদ্যান, ২৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক কেন্দ্ৰ, ১৯ কোটি টকা প্ৰকল্প ব্যয়ৰ যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম, ২০০ খন বিছনাযুক্ত ছাত্ৰাবাস আৰু ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মইনা পৰীয়া নামঘৰ অতিথিশালা উদ্বোধন কৰিব। আনহাতে ড০ শৰ্মাই ১৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া বৰভেটি প্ৰাংগণৰ

সংহত উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীগৰাকীৰ আজিৰ কাৰ্যসূচী সন্দৰ্ভত জিলাখনৰ আয়ুক্ত জয় শিৰানীয়ে এইদৰে কয়-

**বাইট (জয় শিৰানী)**

oooooo

অহা ১৩ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰীলৈ গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্পৰ উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যক্ষ সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

আনহাতে ১৫ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা তেওঁ দিনৰ ১০ বজাত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। দিনৰ ১১ বজাত তেওঁ বিজেপিয়ে আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰিব।

oooooo

পশ্চিম এছিয়াৰ সংঘাতক কেন্দ্ৰ কৰি দেশত ৰন্ধন গেছৰ নাটনি হোৱাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি** আৰু **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী উত্তৰ-পূবৰ দীৰ্ঘতম মহাৰাজ পৃথু উৰণ সেঁতুখন কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** আৰু **দৈনিক অসম** কাকতে ফটোসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীৰ খানাপাৰাত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ বিশেষ অনুষ্ঠানত ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে আলোকচিত্ৰসহ মুখ্য বাতৰিৰ স্থান দিছে।

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ৩৭ টা সম্প্ৰদায়ক অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে ৰাজ্যৰ মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিটোক **দা ছেণ্টিনেল** কাকতে মুখ্য বাতৰিত স্থান দিছে।

বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ দিশত এটা সবল খোজ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সোণাপুৰৰ তেপেচীয়াত নিৰ্মিত বিজ্ঞান নগৰীৰ মহানগৰ চৌহদ আনুষ্ঠানিকভাৱে মুকলি কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে অহা ১৫ মাৰ্চৰ ভিতৰত বিজেপিৰ প্ৰাৰ্থী তালিকা চূড়ান্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰাৰ বাতৰিটোক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

oooooo

কেন্দ্ৰীয় কেবিনেটে জলজীৱন মিছনৰ কাৰ্যকালৰ সীমা ২০২৮ চনৰ ডিচেম্বৰ পৰ্যন্ত বৃদ্ধিত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেবিনেটৰ বৈঠকত লগতে জলজীৱন মিছনক সেৱা প্ৰদানকাৰী অভিযানলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে গাঁথনিগত পৰিৱৰ্তন আনিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ অংশ হিচাপে 'সুজলম ভাৰত' সূচীৰ অধীনত ৰাষ্ট্ৰীয় ডিজিটেল মঞ্চৰ শুভাৰম্ভ কৰি নিৰীক্ষণ চলোৱা হ'ব। কেবিনেটে লগতে জলজীৱন মিছনত অতিৰিক্ত ৮ লাখ ৬৯ হাজাৰ কোটি টকা ব্যয়তো অনুমোদন জনায়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মণিপুৰৰ কিছু কিছু অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ লগতে আৰু অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**